**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 25-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। আন্তঃগাঁথনিমূলক প্ৰকল্পত হোৱা বিলম্বই নাগৰিক আৰু উদ্যোগসমূহক সময়মতে পাবলগীয়া সুফলৰ পৰা বঞ্চিত কৰে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰিছে।

২। সমগ্ৰ দেশজুৰি আজি সংবিধান হত্যা দিৱস পালন কৰা হৈছে।

৩। কীৰ ষ্টাৰমাৰে লণ্ডনৰ হলবৰ্ন আৰু ছেইণ্ট পেংক্ৰাছৰ পৰা লেবাৰ পাৰ্টিৰ সাংসদ হিচাপে সংসদত তেওঁৰ কাৰ্যকাল অব্যাহত ৰাখিব।

৪। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত স্কটলেণ্ডক ৩-০ গ'লত পৰাস্ত কৰি ব্ৰাজিলে ক্ৰমাগতভাৱে পঞ্চদশ সংখ্যক বিশ্বকাপত নকআউট পৰ্যায়ত প্ৰৱেশ কৰিছে।

*আৰু*

৫। ভাৰত আজি মহিলাৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি প্ৰগতিৰ ৫২ সংখ্যক বৈঠকত অধ্যক্ষতা কৰি আন্তঃগাঁথনিমূলক প্ৰকল্পসমূহৰ কাৰ্যকৰীকৰণৰ পৰ্যালোচনা কৰে। প্ৰশাসনৰ সক্ৰিয়তা আৰু নিৰ্ধাৰিত সময়ত ৰূপায়ণৰ বাবে প্ৰযুক্তি-সক্ষম এই মঞ্চখনত প্ৰধানমন্ত্ৰীয়ে চাৰিখন ৰাজ্যত প্ৰায় ৩০ হাজাৰ কোটি টকাৰ বিনিয়োগেৰে নিৰ্মাণ হ'বলগীয়া পথ, বিদ্যুৎ, উদ্যোগিক ক'ৰিডৰ আৰু মেট্ৰ' ৰেল খণ্ডৰ চাৰিটা গুৰুত্বপূৰ্ণ প্ৰকল্পৰ অগ্ৰগতি পৰ্যালোচনা কৰে।

বৈঠকত শ্ৰীমোদীয়ে উল্লেখ কৰে যে - আন্তঃগাঁথনি প্ৰকল্পত হোৱা বিলম্বই ব্যয় বৃদ্ধি কৰাৰ উপৰি নাগৰিক আৰু উদ্যোগসমূহক সময়মতে পাবলগীয়া সুফলৰ পৰা বঞ্চিত কৰে। প্ৰকল্পসমূহৰ সঠিক পৰিকল্পনা আৰু ক্ষীপ্ৰ ৰূপায়ণৰ বাবে তেওঁ পি.এম গতিশক্তি ৰাষ্ট্ৰীয় পৰিকল্পনাৰ কাৰ্যকৰী ব্যৱহাৰৰ ওপৰতো গুৰুত্ব প্ৰদান কৰে। এই বৈঠকত 'যক্ষ্মামুক্ত ভাৰত অভিযানৰো পৰ্যালোচনা কৰা হয়। যক্ষ্মা ৰোগৰ বিৰুদ্ধে যুঁজত কৃত্ৰিম বুদ্ধিমত্তাৰ দৰে আধুনিক প্ৰযুক্তি ব্যৱহাৰৰ ওপৰত প্ৰধানমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে।

ইপিনে, চাইবাৰ অপৰাধ আৰু ডিজিটেল গ্ৰেপ্তাৰৰ ঘটনা বৃদ্ধি পোৱাকলৈ প্ৰধানমন্ত্ৰীয়ে উদ্বেগ প্ৰকাশ কৰে। নাগৰিকসকলক প্ৰতাৰণাৰ পৰা ৰক্ষা কৰিবলৈ আইন প্ৰয়োগকাৰী সংস্থা, বেংক আৰু ডিজিটেল মঞ্চসমূহৰ মাজত শক্তিশালী সমন্বয় ৰক্ষাৰ বাবে তেওঁ নিৰ্দেশ দিয়ে।

চাইবাৰ প্ৰৱঞ্চনাৰ গোচৰসমূহ দ্ৰুতভাৱে পঞ্জীয়ন আৰু নিষ্পত্তিৰ বাবে প্ৰতিখন ৰাজ্যকে 'ই-জিৰো এফ আই আৰ' ব্যৱস্থা কাৰ্যকৰী কৰিবলৈকো তেওঁ আহ্বান জনায়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সদ্যসমাপ্ত সংসীয় নিৰ্বাচনত বিজয় সাব্যস্ত কৰাৰ বাবে আৰ্মেনিয়াৰ প্ৰধানমন্ত্ৰী নিকল পাছিনিয়ান আৰু তেওঁৰ দলক অভিনন্দন জ্ঞাপন কৰিছে। আৰ্মেনিয়াৰ প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে কালি হোৱা টেলিফোনিক বাৰ্তালাপত শ্ৰীমোদীয়ে পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ইৰানত আবদ্ধ হৈ থকা ভাৰতীয় লোকসকলক উদ্ধাৰ কৰাৰ ক্ষেত্ৰত দেশখনে আগবঢ়োৱা সহায়ৰ শলাগ লয়। সামাজিক মাধ্যমৰ এটা প'ষ্টত শ্ৰীমোদীয়ে কয়, যে বাৰ্তালাপৰ সময়ছোৱাত তেওঁলোকে উভয় দেশৰ মাজত বিভিন্ন ক্ষেত্ৰত থকা উষ্ম তথা বহুমুখী সম্পৰ্কক ত্বৰান্বিত কৰাৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা প্ৰকাশ কৰে। ভাৰত আৰু আৰ্মেনিয়াৰ জনসাধাৰণৰ মাজত বন্ধুত্বপূৰ্ণ বান্ধোনৰ উপৰি বাণিজ্য, প্ৰতিৰক্ষা, প্ৰযুক্তি আদিতো বিশেষ সম্পৰ্ক আছে। উভয় দেশৰ মাজত থকা বন্ধুত্বক নতুন শিখৰলৈ নিবলৈ নৱনিৰ্বাচিত প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে একেলগে কাম কৰিবলৈ আগ্ৰহী বুলিও শ্ৰীমোদীয়ে প্ৰকাশ কৰে।

ooooo

আজি ২৫ জুন। ১৯৭৫ চনৰ এই দিনটোত ভাৰতৰ সংবিধানক অৱমাননা কৰি দেশত জৰুৰীকালীন অৱস্থা ঘোষণা কৰা হৈছিল। সেই ক'লা অধ্যায়ক স্মৰণ কৰি আজি সমগ্ৰ দেশত 'সংবিধান হত্যা দিৱস' পালন কৰা হৈছে। ১৯৭৫ চনৰ এই একেটা দিনতে তদানীন্তন ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলী আহমেদে আভ্যন্তৰীণ অস্থিৰতাৰ অজুহাতত সংবিধানৰ ৩৫২ নং অনুচ্ছেদৰ অধীনত ৰাষ্ট্ৰীয় জৰুৰীকালীন অৱস্থা ঘোষণা কৰিছিল। ইয়াৰ ফলত নাগৰিকৰ মৌলিক অধিকাৰসমূহ স্থগিত ৰখাৰ লগতে সংবাদ মাধ্যমৰ ওপৰত কঠোৰ চেন্সৰশ্বিপ (নিয়ন্ত্ৰণ) আৰোপ কৰা হৈছিল।

জৰুৰীকালীন অৱস্থাৰ ৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰালয়ে আজি নতুন দিল্লীত বৰ্ষজোৰা কাৰ্যসূচীৰ সামৰণি অনুষ্ঠানৰ আয়োজন কৰিছে। সামৰণি কাৰ্যসূচীত 'সংবিধান হত্যা দিৱস' আৰু 'গণতন্ত্ৰ চিৰঞ্জীৱী হওক' শীৰ্ষক প্ৰদৰ্শনীৰ লগতে 'সংবিধান হত্যা দিৱস' নামৰ এখন চুটি ছবিও প্ৰদৰ্শন কৰা হ'ব। কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱতে এই অনুষ্ঠানত সভাপতিত্ব কৰিব।

ooooo

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে এক অনন্য সাংস্কৃতিক প্ৰচাৰ উদ্যমৰ অংশ হিচাপে নতুন দিল্লীত কৰ্মৰত ৮২ খন দেশৰ কূটনীতিবিদসকললৈ আগশাৰীৰ ভাৰতীয় আমৰ বিশেষভাৱে তৈয়াৰী বাকচ প্ৰেৰণ কৰিছে। স্বকীয় সুকীয়া সোৱাদ, সুগন্ধী আৰু আঞ্চলিক পৰিচয়েৰে বিখ্যাত হিচাপে এই বাকচত গুজৰাটৰ গিৰকেশৰ, অন্ধ্ৰপ্ৰদেশৰ বংগনাপাল্লে আৰু উত্তৰ প্ৰদেশৰ দশেৰী আৰু বেনাৰসী লেংৰা আমে স্থান লাভ কৰিছে।

ভাৰতৰ চহকী উদ্যান শস্য ঐতিহ্য প্ৰদৰ্শন আৰু দেশৰ ভিতৰত সবাতোকৈ প্ৰিয় গ্ৰীষ্মকালীন আমৰ প্ৰতি বিশ্বৰ দেশসমূহৰ আকৰ্ষণ আৰু অধিক বৃদ্ধি কৰাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। ৰাষ্ট্ৰীয়

সভাপতিগৰাকীয়ে আমৰ সৈতে প্ৰেৰণ কৰা শুভেচ্ছা বাৰ্তাত ফলবিধৰ সাংস্কৃতিক তাৎপৰ্যৰ বিষয়ে উল্লেখ কৰি আমক আতিথ্য, বন্ধুত্ব আৰু ভাৰতৰ কৃষি ঐতিহ্যৰ প্ৰতীক হিচাপে অভিহিত কৰে। ভাৰতৰ অন্যতম প্ৰিয় আমৰ ব্যৱহাৰেৰে বিশ্বৰ আন দেশসমূহৰ সৈতে বন্ধুত্বৰ সম্পৰ্ক ত্বৰান্বিত কৰাৰ লগতে কূটনৈতিক মহলৰ সংযোগ প্ৰসাৰৰ লক্ষ্যৰে শ্ৰীনবীনে এই উদ্যমত অংশ লয়। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'মন কী বাত' অনুষ্ঠানত দেশৰ বিভিন্ন প্ৰকাৰৰ আম আৰু সেইসমূহৰ নিজা নিজা সোৱাদৰ বিষয়ে উল্লেখ কৰিছিল।

ooooo

অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে চলিত মাহৰ ২২ তাৰিখে দিল্লীৰ পৰা অমৃতসৰ অভিমুখী এয়াৰ ইণ্ডিয়াৰ এখন বিমানক লৈ সৃষ্টি হোৱা অনাকাংক্ষিত পৰিস্থিতিৰ ঘটনাৰ স্পষ্টিকৰণ প্ৰকাশ কৰিছে।

মন্ত্ৰালয়ৰ তথ্য অনুসৰি, অমৃতসৰ বিমানবন্দৰত বিমানখনত এটা চৰাইক খুন্দা লগাৰ ফলত ৰানৱে পৰীক্ষণৰ কাম চলি আছিল। সুৰক্ষাৰ স্বাৰ্থত বিমানখনক অৱতৰণৰ পূৰ্বে আকাশতে ৰৈ থাকিবলৈ নিৰ্দেশ দিয়া হৈছিল। কিন্তু এই পৰিস্থিতিৰ মাজতে ৰাডাৰ ভেক্টৰিং চলি থকা অৱস্থাত বিমানখনে ভুলবশতঃ কিছু সময়ৰ বাবে পাকিস্তানৰ আকাশীসীমাত প্ৰৱেশ কৰে। অৱশ্যে তাৎক্ষণিকভাৱে পাকিস্তানৰ বিমান চলাচল নিয়ন্ত্ৰণ কৰ্তৃপক্ষৰ সৈতে যোগাযোগ কৰি বিষয়টোৰ সমন্বয় ৰক্ষা কৰা হয়। ইয়াৰ পাছত বিমানখনক নিৰাপদে দিল্লীলৈ ওভোতাই আনি সুকলমে অৱতৰণ কৰোৱা হয়।

ইপিনে, ঘটনাৰ তথ্য বিভাগক সময়মতে অৱগত নকৰাৰ বাবে অমৃতসৰৰ সংশ্লিষ্ট বিমান চলাচল নিয়ন্ত্ৰক আৰু বিমানখনৰ পৰিচালনাৰ সৈতে জড়িত কৰ্মীৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰাৰ কথা সদৰী কৰা হৈছে।

ooooo

কীৰ ষ্টাৰমাৰে লণ্ডনৰ হলবৰ্ন আৰু ছেইণ্ট পেংক্ৰাছৰ পৰা লেবাৰ পাৰ্টিৰ সাংসদ হিচাপে সংসদত তেওঁৰ কাৰ্যকাল অব্যাহত ৰাখিব। লেবাৰ পাৰ্টিৰ নেতা হিচাপে পদত্যাগ কৰাৰ পাছত ষ্টাৰমাৰ সম্প্ৰতি ব্ৰিটেইনৰ দায়িত্বৱাহী প্ৰধানমন্ত্ৰী হিচাপে আছে। যোৱা সোমবাৰে প্ৰধানমন্ত্ৰী হিচাপে পদত্যাগ ঘোষণা কৰাৰ পাছত ষ্টাৰমাৰে পৰৱৰ্তী সম্ভাব্য প্ৰধানমন্ত্ৰী এনডি বাৰ্নহামৰ সৈতে বৈঠকত অংশগ্ৰহণ কৰাৰ বিষয়েও দলৰ মুখপাত্ৰই কালি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে।

ooooo

মৰক্কোৱে গ্ৰুপ-চিৰ পৰা চলিত ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ নকআউট পৰ্যায়ত প্ৰৱেশ কৰিছে। মৰক্কোৱে কিছুসময় পূৰ্বে আটলাণ্টাত সমাপ্ত হোৱা এখন খেলত হেইটীক ৪-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। খেলখনত আগবঢ়োৱা উজ্জীৱিত প্ৰদৰ্শনৰ বাবে মৰক্কোৰ আশ্ৰফ হাকিমীক মেন অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে মিয়ামিত অনুষ্ঠিত গ্ৰুপ-চিৰ আন এখন খেলত পাঁচবাৰৰ বিশ্ব চেম্পিয়ন ব্ৰাজিলে স্কটলেণ্ডক ৩-০ গ'লত পৰাস্ত কৰে। খেলখনত ব্ৰাজিলৰ হৈ ভিনিচিয়াছ জুনিয়ৰে দুটা গ'ল দিয়ে। এই

জয়ৰ সুবাদত ব্ৰাজিলে গ্ৰুপ-চিৰ শীৰ্ষ দলৰূপে নকআউট পৰ্যায়লৈ অগ্ৰসৰ হৈছে। ব্ৰাজিলে ক্ৰমাগতভাৱে ১৫ খন বিশ্বকাপ ফুটবলত নকআউট পৰ্যায়ত স্থান নিশ্চিত কৰিছে।

ইপিনে ছীটলত অনুষ্ঠিত গ্ৰুপ-বিৰ এখন ব'ছনিয়া আৰু হাৰ্জেগ'ভিনাৰ বিৰুদ্ধে ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত হোৱাৰ পাছত কাটাৰ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। ব'ছনিয়াই ইতিহাসত প্ৰথমবাৰৰ বাবে নকআউট পৰ্যায়ত প্ৰৱেশৰ আশা এতিয়াও সজীৱ কৰি ৰাখিছে।

গ্ৰুপ-বিৰ আন এখন খেলত ছুইজাৰলেণ্ডে আজি পুৱতি নিশা কানাডাৰ বিৰুদ্ধে ২-১ গ'লৰ ব্যৱধানত বিজয় সাব্যস্ত কৰে। ভেনকুভাৰত অনুষ্ঠিত খেলখনত বিজয়ৰ সুবাদত ছুইজাৰলেণ্ডে ৭ পইণ্টেৰে সৈতে পৰৱৰ্তী পৰ্যায়ত স্থান নিশ্চিত কৰে। অৱশ্যে এই পৰাজয়ৰ পাছতো তিনিখন খেলৰ পৰা ৪ পইণ্ট অৰ্জন কৰা কানাডাও পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে।

প্ৰতিযোগিতাত সম্প্ৰতি গ্ৰুপ-এৰ এখন খেলত দক্ষিণ আফ্ৰিকা দক্ষিণ কোৰিয়াৰ মুখামুখি হৈছে। আমালৈ অহা শেহতীয়া বাতৰি পৰ্যন্ত খেলখনৰ ২৮ মিনিটলৈকে কোনো এটা দলে গ'ল স্কৰ কৰিবলৈ সক্ষম হোৱা নাই।

০০০০০

ভাৰত আজি মহিলাৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন মানচেষ্টাৰৰ এমিৰেটছ অল্ড ট্ৰেফ'ৰ্ডত ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটো সম্প্ৰতি গ্ৰুপ-এৰ দ্বিতীয় স্থানত আছে। দলটোৱে ইতিমধ্যে খেলা ৩ খন খেলৰ ভিতৰত দুখনত জয়লাভ কৰিছে। বাংলাদেশেও এইপৰ্যন্ত দুখন খেলত জয়লাভ কৰিছে যদিও নেট ৰান ৰেটৰ ভিত্তিত দলটো সম্প্ৰতি গ্ৰুপ-এৰ চতুৰ্থ স্থানত আছে।

ভাৰতে প্ৰতিযোগিতাৰ প্ৰথম আৰু দ্বিতীয়খন খেলত ক্ৰমে পাকিস্তানক ৬৪ আৰু নেডাৰলেণ্ডছক ৯৫ ৰানৰ ব্যৱধানত পৰাস্ত কৰিছিল। অৱশ্যে তৃতীয়খন খেলত ভাৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ৬ উইকেটৰ ব্যৱধানত পৰাস্ত হৈছিল।

০০০০০

ভাৰতৰ-এ আৰু শ্ৰীলংকাৰ-এ দলৰ মাজত হ'বলগীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি গালে আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত আৰম্ভ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি পুৱা ১০ বজাত আৰম্ভ হ'ব। শৃংখলাটোত দুখন চাৰিদিনীয়া খেল অনুষ্ঠিত হ'ব আৰু দুয়োখন খেলেই একেখন ষ্টেডিয়ামতে খেলোৱা হ'ব। খেল দুখনত ২৫ বছৰীয়া উইকেট ৰক্ষক-বেটছমেন ধ্ৰুৱ জুৰেলে ভাৰতীয় দলক নেতৃত্ব দিব। সদ্য সমাপ্ত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত মুঠ ৫১৫ ৰান কৰি উজ্জীৱিত প্ৰদৰ্শন আগবঢ়োৱা জুৰেলে ইতিমধ্যে ভাৰতৰ জ্যেষ্ঠ দলৰ হৈ ১০ খন টেষ্টত ৪৭৮ ৰান সংগ্ৰহ কৰিছে।

০০০০০

সমাপ্ত